ৰণপলৰীয়া বুলি বৰপাত্ৰক গোহাঁই ভাঙ্গি থৈছিল। পৰে মোৱামৰীয়াই মাঘৰ বিহু খাই চাৰিঙ্গ বৰতলা পুৰি পুনৰ ৰঙ্গপুৰৰ বৰদুৱাৰৰ মুখত ৰণ ধৰি নগৰৰ চাৰিওফালৰ ফুকন বৰুৱাৰ ঘৰবোৰ পুৰিলে। ৰাজা ভয় খাই দিহিঙ্গৰ বাপক ভকতে সহিতে ৰণ কৰিবলৈ বোলাত বাপেও ভেওঁৰ শিষ্যক শপত দি ৰণলৈ পচাত সিইঁতৰ ভিতৰৰ হাৰী এটাই ৰণ কৰি যুদ্ধত পৰোতে ইমসা লৰ মাৰিলে। বকতীয়ালৰ বৰসেনাপতি পৰিলে। দেওধাইহঁত লৰ মাৰিলে। হাটীৰ বৰবৰাৰ হাত-ভৰি কাটি নগৰলৈ পঠালে॥

পাচে ৰজাদেৱে বৰদুৱাৰত বৰপাত্ৰ গোহাঞিং, নতুৱাৰত বুঢ়াগোহাঞিং, পানীদুৱাৰত নাওবৈচা ফুকন, ঔগুৰি চকীত বৰগোহাঞিং, এইবোৰক দি যুদ্ধ কৰোৱাত মৰাণে যুদ্ধত জিকে। পাচে ৯ শকৰ মাঘৰ ২০ দিন যাওঁতে শনিবাৰে ৰাত্ৰি নামতিয়ালক বৰবৰুৱা ভাঙ্গি দিহিঙ্গীয়াৰ সৰুদেৱক বৰবৰুৱা পাতে। পানীদুৱাৰে চিন মাৰি ৰজাদেৱ ওলাই দিখৌৰ আমগুৰি ঘাটত নাৱত উঠিলগৈ। লগত গৈছিল ন-গোসাঁই মাজুজনাৰ বাপেক-পুতেক ২, চিৰিঙ্গফুকনৰ দদায়েক-ভতিজাক ৪, ভিতৰুৱাল ফুকনৰ বাপেক-পুতেক ২, ভদৰি চোলাধৰা ফুকনৰ ভায়েক ককায়েক ২, কাঠমিস্ত্ৰী নাওবৈচা ২০, এঞ্জে সহিতে ভটিয়াই গৈ গুৱাহাটী পালেগৈ। ই ঠাইত মোৱামৰীয়া ভিতৰ সোমাই ৰাজমাওদেৱক মাৰিলে। আইকুৱৰীদেৱ সকল পলাল, নাপালে। গএগ ভণ্ডাৰ ভাঙ্গি বাটত ৰূপ সোণ তাম পিতল কাপড় সিচি দিছিল। কেতবোৰ ৰূপ সোণ গোসাঁই সেৱা কৰা সোণৰ ৰূপৰ বাচন সহিতে বহুত নিলে।

উত্তৰপৰীয়া ডকলা বহতীয়াইঁতে পৰে বকতীয়ালৰ মনজুইক বৰজনা আইকুঁৱৰীদেৱে বৰবৰুৱা পাতি পঠোৱাত সেও কেতবোৰ মানুহ লৈ গড়গাওঁ সোমাই ধনৰ গোলা চোৱাত গড়কাথৰীয়াই কুঠাৰ মাৰি দুৱাৰ ভাঙ্গি বহুত সোণ ৰূপৰ পেড়া নিলে। আৰু ভোগৰৰীয়া, সোলাপৰীয়া, টুংচু, নাজিৰা, বেৰতীগএগ, লংকৰীয়া, ইত্যাদি অনেক

গোলাৰ ৰূপ সোণ নিলে। যি অৱশেষ আছিলে তেওঁৰ লগৰ মানুহে নিলে। পাচে মোৱামৰীয়াই পানীচকীত ৰণ কৰি পুৰণিমেলীয়া ভোগাই নেওগক মাৰি গড়গাঞ সোমাই মঞ্জইক ভঙ্গাই নগৰ জুই দিলে। মানুহো বহুত কাটিলে।

পৰে পাটকোঞৰ ৰজা হৈ গড়গাঞো সোমাই কালুগঞাক বৰপাত্ৰ পাতিলে। জোলা কাটনি হাজৰিকাক বৰগোহাঞি পাতিলে, মনজইক বৰবৰুৱা পাতি ললে। চাউডাঙ্গৰ মূলুক শইকা নাওশলীয়া ফুকন হৈ প্ৰধান খাটনীয়াৰ হল। পাচে আলিকেকুৰি পানীচকীত কোঠ দি মোৱামৰীয়াক যুদ্ধ কৰি ভঙ্গালে। জপৰা গোহাঁই, বৰমূৰা গোহাঁই, ইবোৰ মন্ত্ৰী হৈ ঠায়ে-ঠায়ে ৰণ কৰি ফুৰিছিল। পাচে শিৱসাগৰত কোঁঠ দি সেই কোঁঠত পাটকোঞৰ সোমালত কোনোৰা দুষ্টে কোঁঠৰ পৰা উলিয়াই সিখন কোঁঠলৈ নিওতে বাটতে কাটিলে। পাচে কোঁঠ ভাগি সকলো প্ৰাণী গুচি গল। পৰে মোৱামৰীয়াই গৌৰীসাগৰ নামডাঙ্গত পানীফুকন বুঢ়াগোহাঞিৰ দিন-দিন যুদ্ধ কৰে। অভয়পুৰত ঢেকেৰি মহাজন গণকৰ কৰ্ত্তা ওলাই অভয়পুৰীয়াৰে যুদ্ধ কৰাত অভয়পুৰীয়াই জিকিলে দুবাৰ। পৰে কৰ্ত্তাক মোৱামৰীয়াই মাৰিলে। ইয়াৰ আগে দিহিঙ্গীয়াৰ সকদেৱ বৰবৰুৱা, নাওবৈচা ফুকন, বহুত দিহিঙ্গীয়া আহমেৰে গোট খাই ৰণ কৰাত দুয়োকো কাটিলে। বৰপাত্ৰ গোহাঞে দিহিঙ্গীয়াৰ ভোলা সেনাপতিক বৰবৰুৱা পাতি পুতেক হেলনক চোলাধৰা ফুকন, চেটিয়াৰ জাবৰক ঢেকিয়াল ফুকন, কোঞৰ ধৰমক নেওগ ফুকন, মিৰি সন্দিকৈৰ গোবিন্দক ডেকাফুকন, ডিহিঙ্গীয়াৰ নিয়াসোধা ফুকনৰ পুতেকক নাওবৈচা ফুকন, এইবোৰ সহিতে লগৰ বৰতি ৫০০ সহিতে যুদ্ধ দিয়াত মোৱামৰীয়া বেঙ্গমৰীয়াই ডাঙ্গৰীয়াক মাৰিলে, তেওঁৰ পুতেকক মাৰিলে। পৰে কোঞৰৰ নেওগ ফুকনকো মাৰিলে। আৰ আগে বাৰেঘৰৰ, বুধবাৰীৰ, দুই মহন্তক ভকতে সহিতে কাটিলে। পৰে চৰাইমৰিয়া চাংমায়ে শিলাকুটি বৰুৱা সহিতে যুদ্ধ দিয়াত সিহঁতক ভঙ্গালে। পাচে

বুঢ়াগোহাঞিক পানীফুকনেৰে যুদ্ধ কৰি কোঁঠ ভঙ্গালে। বুঢ়াগোহাঞি পলাই সাৰিল। পানীফুকনক কঁড়ীয়াই মাৰিলে। বৰগোহাঞি পলাই যাওঁতে বাটতে কাটিলে।

ইয়াৰপৰে মণিপুৰীয়াই যুদ্ধ দিয়াত ৰণে নোৱাৰি পুনৰ স্বদেশলৈ গল। বুঢ়াগোহাঞি দীঘলা গোহাঞে পুনৰ দিচৈত কোঁঠ দি বলহি। পাচে জপৰা গোহাঞে বচাক জাবৰকে মোক্ষ কৰি শইকা ছুটা মোমাই নৌ পুতেকক ৰাজা পাতিবলৈ বুঢ়াগোহাঞিৰে আলচ কৰিবলৈ অহাত অৰঙ্গবীয়াই ধৰি চকু কাঢ়ি আমগুৰি খাতত পাতি থলে। আৰপৰে বৰকন্দাজ বঙ্গাল আনি যুঁজাত ৰেচালদাৰকে আদি কৰি সকলকে কাটিলে। বুঢ়াগোহাঞিকে বাৰ বাৰ যুদ্ধ কৰি গাওঁ-ভুঁই পুৰি দেশ উজাৰ কৰাত সকলৰে ...... [ ইয়াৰ পাচত পুথিৰ পাত আৰু নাই। মুঠতে দুপিঠীয়া দহোটা পাত, লিখা উনৈছ পিঠিত।—সম্পাদক।] ২৮১।

---

বৰপেটা ন-সত্ৰৰ শ্ৰীযুতা জয়ন্তীপ্ৰিয়া দেৱী মেধিয়নীৰ হাতত পোৱা বুৰঞ্জী পুথি।

## পাণ্ডুমথন বুৰঞ্জী

### স্বৰ্গদেৱ জয়ধ্বজসিংহ আৰু চক্ৰধ্বজসিংহ

স্বৰ্গদেৱ জয়ধ্বজসিংহ।—১৫৭০ শকৰ মাঘত স্বৰ্গমহাৰজাক (স্বৰ্গদেৱ জয়ধ্বজসিংহ) দ্ৰোহ কৰিব খোজা বাদ লগাই ৰবগোহাঞিৰ ১৩টা বাহুক আৰিলে। ১৫৭১ শকৰ বৈশাখত একপক্ষৰ ভিতৰত তিনিবাৰ ভূমিকম্প গল। বহাগৰ ৮ দিন যাওঁতে বৃহস্পতিবাৰে স্বৰ্গমহাৰজা শিঙৰিঘৰত উঠিল। পাচদিনা শুক্ৰবাৰে সিংহাসনত বহিল। সাতদিন মহা-মহোৎসব কৰি দৈবজ্ঞ-ব্ৰাহ্মণক সুবৰ্ণ ৰজত দান কৰিলে, আৰু ভকতকো গোসাঁইকো সুবৰ্ণ ৰজত দান কৰিলে। আৰু গোট-পাইকত কুৰি টকাকৈ দিলে। সকলো লোকক লোণ চাউল দিলে। ২৮২॥

স্বৰ্গদেৱৰ পৰ্ব্বতীয়া কুঁৱৰী।—১৫৭২ শকত ৰজাশহুৰৰ জী পুখুৰীপৰীয়া বুঢ়াগোহাঁই পোৱালীত পৰিছিল, পাচে মহাৰজাদেৱে নি পৰ্ব্বতীয়া কুঁৱৰী পাতিলে॥ ১৫৭৩ শকৰ ভাদৰ ৪ দিন যাওঁতে মঙ্গলবাৰে স্বৰ্গমহাৰজাৰ গড়গাওঁৰ ঘৰত ছুদু পৰিল। ১৩ দিন যাওঁতে বৃহস্পতিবাৰে ৰৰঢাক আপুনি বাজিল। আৰু সেই ভাদতে দিহিঙৰ পানী একপক্ষ ৰঙা হুই আছিল। ভাদৰ ৭ দিন যাওঁতে মহাৰজাৰ চন্দ্ৰতাপত কাক পৰিল। সেইদিন গোসাঁইৰ আসনত শাখিনী সাপ উঠিল।

১৫৭৫ শকৰ আঘোণৰ ১০ দিন যাওঁতে দেওবাৰে দিকলুমুখত গড় বান্ধিলে। মাঘত মহাৰজা লাচুপাৰত হাতী ধৰিলে। ১৫৭৬ শকৰ কাতিৰ ৫ দিন যাওঁতে শনিবাৰে বৰবৰুৱাৰ মৃত্যু। ১১ দিন যাওঁতে শুক্ৰবাৰে স্বৰ্গমহাৰজা নাৰায়ণপুৰলৈ গমন কৰিলে। মাঘৰ ১৯ দিন যাওঁতে বুধবাৰে সোমশিৰি কাখৰতে গড় বান্ধিলে।

ফাগুনৰ ৭ দিন যাওতে ৰাত্রি চৰাইদেৱৰ ঘৰৰ ১০০০ ৰূপ চুৰ কৰি নিলে। পাচে সাতদিনৰ মূৰত বিচাৰকৈ চোৰ পাই কাটিলে ১০০ চোৰক। ২৮৩॥

অমঙ্গল উৎপাত।—১৫৭৭ শকৰ বহাগৰ এদিন যাওঁতে বৃহস্পতিবাৰে ৰাত্রি ৰাজমাওদেৱৰ ঘৰত বজ্রপাত হল। সেই বহাগতে ৰবজনা আইকুঁৱৰীদেৱৰ চুলিত জ'ট বান্ধিলে। এই শকৰে আঘোণত স্বৰ্গমহাৰজাদেৱে কেন্দুৰীৰ পৰা পোনাই হাড়মতি গড়লৈকে আলি বন্ধালে। মাঘৰ ২২ দিন যাওঁতে সোমবাৰে স্বৰ্গমহাৰজাদেৱে ভটিয়াপাৰৰ পুখুৰী প্রতিষ্ঠা কৰিলে। পাত্র-মন্ত্রী, বৰা-বৰুক সমন্বিতে যোগ্যানুৰূপে সকলকো বঁটাপ্রসাদ দিলে, আৰু গুণী-গায়নকো, আন প্রজাসকলকো ৰূপ কুৰিকৈ দিলে। ১৫৭৮ শকৰ আহাৰৰ ৪ দিন যাওঁতে ৰাত্রি লাকুৰিদেৱৰ ঘৰত বজ্রপাত হল। আহাৰৰ ৬ দিন যাওঁতে বুধবাৰে আউনীআটী গোসাঁইঘৰৰ খুটা পুতিলে। ফাগুনৰ ২৪ দিন যাওঁতে শুক্রবাৰে ৰৰভাণ্ডাৰত বজ্রপাত হল। ১৫৭৯ শকৰ বহাগৰ ২৮ দিন যাওঁতে স্বৰ্গদেৱৰ ৰৰহোলং উঠিল। আঘোণৰ ৫ দিন যাওঁতে শনিবাৰে স্বৰ্গমহাৰজা সোমশিৰি কাখৰত হাতী ধৰিলে। চ'তৰ ৫ দিন যাওঁতে বুধবাৰে ভটিয়াপাৰৰ পুখুৰীৰ লগত বজ্রপাত চাৰিফাল হল। ২৮৪॥

কামৰূপ ভগনৰ প্রস্তাব।—১৫৮০ শকৰ আঘোণৰ ৯ দিন যাওঁতে বুধবাৰে গুৱাহাটীৰ পৰা মিৰ্জ্জা নাথুলা বিনাযুদ্ধে ভাগি গল। ঘোঁৰা-মানুহ অস্ত্র-শস্ত্র অলেখ পালে।

১৫৮১ শকত স্বৰ্গমহাৰজাদেৱে তিনিজনা ডাঙ্গৰীয়াত সুধিলে বোলে,—"কামৰূপৰ নিমিত্তে বঙ্গালৰে আমাৰে অনেক কন্দল হৈ গৈছে। এতেকে ই ৰাজ্য ভাঙ্গিব খোজোঁ, তহঁতে কি বোল ?" পাচে বাৰুকিয়া লাঙ্গিচেতিয়া ৰৰগোহাঁই, কেন্দুগুৰীয়া ৰৰপাত্র-গোহাঁই, কুঐেগএগ লাচান গোহাঁই, ৰজাশহুৰ খামন ফুকন ৰাজমন্ত্রী, এই-সকলৰে সমালোচন হৈ বাহুলি ফুকনক পাচিলে, বোলে,—"পৰীক্ষিত

ৰজাৰ ৰাজ্য কামৰূপৰ ৰবা-বকক সহিতে সমস্ত লোকক তোলাও কৰি গৰ্গাঞলৈ আনগৈ।" এইকথা চান্দৰাও প্ৰতাপৰাএ শুনি আপোন ঠাই এৰি বঙ্গাল সহিত গৰ্গাঞলৈ আহিল। ২৮৫ ॥

মীৰজুমলাই গুৱাহাটী বিচাৰে।—আৰু সেই সময়তে মীৰ্জামুলা নবাবে চাজাহা বাদচাহৰ বেটা চুজাক খেদি ঢকাত ৰহি ৰজাশহুৰ ফুকনৰ ঠাইলৈ উকিল পঠালে বোলে,—"গুৱাহাটী এৰি দিয়োক, মঞি এটা আমীৰ পঠাই দিয়েঁা, মঞি নাযাও।" পাচে ৰবফুকনে বোলে,—"সনাতন, চলা, দুয়ো কটকী যা। এখন নবাবত কৰি আমি গুৱাহাটী মৰা নাই। ভবনাথ কাৰ্জিয়েহে মাৰিছে। ভাল, এখন বেহাৰ মাৰোক, তেবে গুৱাহাটী খুজিব।" এইকথা দুয়ো কটকীয়ে গৈ মীৰ্জামুলা নবাবত কলেগৈ। কটকীৰ মুখৰ কথা শুনি মীৰ্জামুলায়ে বোলে,—"বেহাৰ আমাৰ আগত কোন হয়? এটা আমীৰ পঠাই বেহাৰ মাৰিম। তেৱে যদি গুৱাহাটী এৰি নিদিয়ে মঞি লোহিত কাখৰে যাই গৰ্গাঞ উঠিমগৈ।" এই বুলি আমাৰ দুয়ো কটকীক পঠাই দিলে। ২৮৬ ॥

গুৱাহাটী এৰিবলৈ অসমৰ অনিচ্ছা।—পাচে বেহাৰ মাৰিলত প্ৰাণনাৰায়ণ ৰজাও পৰ্ব্বত উঠি একপক্ষ আছিল। পাচে প্ৰাণ-নাৰায়ণে দুইলাখ ৰূপ দিম বুলিলে জাইগিৰি, এই নিবন্ধ কৰি বেহাৰত এটা নবাব থৈ ভবনাথক লোৱা লগাই লগত আনিলে। মীৰ্জামুলাও আহি মনাহাৰ কাষৰতে ৰহিলহি। পাচে তৰেপৰা আকৌ ছেকমিএগ উকিলক ৰৰফুকনৰ ঠাইলৈ পঠালে বোলে,—"ভাই নবাবে বুলিছে বেহাৰ মাৰি গুৱাহাটী শুণাব, এখন বেহাৰ মৰা হ'ল, গুৱাহাটী এৰি দিওক।" পাচে ৰবফুকনে গুৱাহাটী এৰি নিদিলে। পাচে বঙ্গালৰ কটকী গৈ নাওত ৰহি আমাৰ মানুহৰ আগত বুলিলে বোলে,—"তোমাৰ ৰবফুকনৰ শৰীৰটি যেন সোণা, মুখখনি শূৱৰৰ ঠেনা। এইমুখে বেহাৰ মাৰিলে গুৱাহাটী শুণাবি বুলিছে। এখন ঝুটবাট কয়। ভাল, ইয়াৰ প্ৰমাণ পাব।" ২৮৭ ॥

পাণ্ডু গুৱাহাটী এৰি চামধৰাত আহোম সৈন্য।—সেইবেলা মহাৰজা টোকলাইত হাতি ধৰি আনি গৰ্গাঞলৈ আহি বৰগোহাঁই বৰপাত্ৰগোহাঁই দুইকো চামধৰালৈ পঠালে। পাচে ফাগুনৰ দিনত বাদুলি ফুকন লাখটকীয়া আনো বৰা-বৰুক বঙ্গালক দেখি দুহকি আহি লোকজন সহিতে পাণ্ডু শৰাইঘাটৰ ভিতৰ সোমালহি। লগতে মীৰ্জামুলা, দললখাঁ, মনোৰখাঁ, মঞ্জুৰখাঁ, ৰচিদখাঁ, চৈতচানা, ৰাজা নৰসিংহ, অমৰসিংহ, এইসকল প্ৰমুখ্যে উম্ৰিৰাসকল আহি দক্ষিণে কাজলীমুখত উত্তৰে আগিয়াঠুঁটিত ৰহিলহি। চাহবুৰুজলৈ আমীৰ এটা পঠাই দিলে। পাচে ফুকনে পিকচাই চেটিয়াএ আনো বৰা-বৰুক সকলেও আলচ কৰি বোলে,—"বঙ্গালে যে আমাক পাচে যে ভেটিলেহি আত আমি কিৰূপে ৰহিম?" এইবুলি পাণ্ডুশৰাই এৰি ভাগি আহি চামধৰাত ৰহিলহি। ২৮৮॥

অসমৰ সৈন্যৰ বিভঙ্গ।—ফাগুনৰ দিনত পাচে সেইবেলা স্বৰ্গমহাৰজা ৰজাশহুৰক সেনাপতি গুচাই দুখন হেংদান দি উত্তৰে বৰগোহাঁইক সেনাপতি পাতিলে, দক্ষিণে আওগোহাঁইক, পানীয়ে তামদলৈক, গৰাইবিৰিকাক, এই তিনিকো অধিকাৰ কৰি দিলে। ৰজাশহুৰ বৰফুকনে গা এৰা দি সতঙ্গ দিলে। আগে চাৰিংৰজাকৈ দিছিল। কুঞৈগঞা বুঢ়াগোহাঁই হবাল। পাচে ৰজাৰ বংশ দদায়েকৰ পুতেক, সম্বন্ধত ভায়েক হয়, তেওঁক চাৰিংৰজা পাতিলে। আৰু বাঁহগৰীয়া আতন গোহাঁইক বুঢ়াগোহাঁই পাতিলে, চামধৰালৈ পঠালে। সিবোৰো চামধৰাত চাৰিদিন আছিলগৈ। দক্ষিণকুলে বঙ্গাল আহি পোতাকলঙ্গৰ কাখত ৰহি শিমলুগড়ৰ পৰা মৰামৰি কৰিছিল। পাচে একদিন বঙ্গালে লোহিতৰ বালিত ৰহি হাতী-ঘোৰা লোক-লস্কৰ সহিতে সম্মুখে দেখাদেখি হৈ আছিল। আৰু নাও-নাৱৰা দেখি আছিল। আমাৰ গড় সৰু আছিল। তাতে হাবুঙীয়া হাতীঘাঁহী হাবিয়াল মানুহ আছিল। এই সম্ভেদ কথা নগঞা খৰঙ্গিৰ মুখে জানি ফাগুনৰ ১০ দিন যাওঁতে মঙ্গলবাৰে

চামধৰা গড়েদি যাই বঙ্গাল উঠিল। পাচে আমাৰ লোক ভাগিল। ৰাতি বৰগোহাঁইয়ে উত্তৰে খাৰৰ ভওাৰত জুই লগাই আগে ভাগিল। পাচে উত্তৰে-দক্ষিণে দুয়োপাৰে সমস্ত লোক ভাগি আহি সলাত ৰহিলহি। বঙ্গালে আহি কুকুৰাকটাত ৰহিলহি। পাচে আমাৰ লোকে নাৱেৰে ধৰিলে। বলে নোৱাৰি নাও-নাৱৰা এৰি আহি গড়গাওঁ পালেহি। মনোহৰ কাকতি সলাতে বঙ্গালত ৰৰিল। ২৮৯॥

গড়গাওঁ নগৰত মোগল।—চতৰ ৯ দিন যাওঁতে শুক্ৰবাৰে ৬ দণ্ড বেলি থাকোঁতে হলধৰক, দুৰ্লভকে, এই দুই কোঁৱৰক মাৰিলে। চতৰ ১৪ দিন যাওঁতে ৰাইচাৰ ঘৰত ৰাতি জুই লাগি ঘৰ পুৰিলে। পুৰা তিপামলৈ গল। তাত আঠদিন থাকি চ'তৰ ২২ দিন যাওঁতে বৃহস্পতিবাৰে মহাৰজা নামৰূপৰ পিনে গল। ১৫৮৩ শকত বঙ্গালে উজাই আহি গৰ্গাঞ পালেহি। তাত বস্তুজাত লুৰি খাই একপক্ষ থাকি ১৫৮৪ শকৰ বৈশাগৰ ২ দিন যাওঁতে মজিমৰ্থা বকোবাৰিলৈ গ'ল। স্বৰ্গমহাৰজাদেৱে নামৰূপলৈ গৈ আজ্ঞা কৰিলে বোলে,-"বঙ্গালক যাকে যৈতে পাৱ তাকে আমাৰ মানুহে কাটোক।" পাচে মহাৰজায়ে বেজদলৈৰ পুতেক মনথিৰ ভওাৰী বৰুৱাক সমস্তৰে অধিকাৰ কৰি দিলে। পাচে সিইঁত আহি বকতাত ৰলহি। আমাৰ লোকসকলো দিলিহৰ উত্তৰ কাষৰে থাকি গড়গাঁৱত কতোদিন বঙ্গালক কাটি-মাৰি দগা দি আছিল। বেজদলৈৰ পুতেকে বুঢ়াগোহাঁই কোঁৱৰ ডাঙৰীয়া সকলকো নগণি বঙ্গালক ৰৰিবলৈ মন কৰিলে। এইকথা দুজনা ডাঙৰীয়ায়ে ৰজাশহুৰে মহাৰাজালৈ জনাই পঠালে। সেইবেলা বৰগোহাঁই দুজনা ডাঙৰীয়াৰ লগলৈ নিফিৰিল, তিৰুৰ নগাৰ গাওঁত আছিলগৈ। পাচে মহাৰজা মনথিৰ ভওাৰি বৰুৱাক নাম-ৰূপলৈ ধৰি নি মাৰিলে। আৰু কছি ১, তৱাই ১, বলাই ১, কহোঁ ১, এই চাৰি ভায়েকক নি তাৰ লগত মাৰিলে। আৰু মৰাৰ হৰি-ডেকাৰ পুতেক জগতেও বঙ্গালত ৰৰিল। পাচে আমাৰ মানুহে

বঙ্গালক দিলিহৰ পৰা খেদি নি দিহিঙ্গত ৰহিল। পাচে মূৰাকটাত বাঁহগড়ীয়া বুঢ়াগোহাঁইক বঙ্গালে ৰণ দিলে। বুঢ়াগোহাঁইয়ে দুই প্ৰহৰ যুদ্ধ কৰিলে, নোৱাৰি ভাগিল। বঙ্গালে গৈ তিপামত ৰহিল। পাচে মহাৰাজ নামৰূপৰ পৰা আহি নামচাঙ্গত ৰহিল। ২৯০ ॥

অসম মোগলৰ সন্ধি।—পাচে দুজন ডাঙ্গৰীয়া, তিপাম ৰজা, ৰাজমন্ত্ৰী, কথা-বাৰ্ত্তাহে এইসকলেৰে আলচ কৰি আমাৰ চুলতান গৰিয়াক প্ৰীতিৰ নিমিত্তে কথা-বাৰ্ত্তা হবলৈ দললখাঁৰ ঠাইলৈ পঠাই দিলে। চুলতান গৈ দললখাঁৰ আগত এইকথা কলে, পাচে দলল-খাঁয়ে মীৰ্জামুলা সহিতে কথা-বাৰ্ত্তা হৈ গদাই কটকীক পঠাই ৰজা-শহুৰত কব দিলে বোলে,—"ৰাজাৰ জী এটা পাৎসালৈ দিয়োক, আৰু চাৰিলাখ ৰূপ দিয়ক, যদি নিদিয়ে আমি নামৰূপ উঠাম।" বঙ্গালৰ এইকথা শুনি মহাৰজা বোলে,—"ভাল, যি হয় দি থৈ ৰাজ্যকেসে ৰক্ষা কৰিব লাগে। বাৰু শহুৰে বঙ্গালৰ ঠাইত মানুহ পঠাই এইবুলি কব, বোলে, সিবোৰে যি খুজিছে আমি তাক দিম।" পাচে মহাৰজাৰ জী মোমাই-তামূলী বৰবৰুৱাৰ জীৰ নাতিনী নংচং গাভৰুক পাৎসাহৰ পুতেকলৈ দিলে, যৌতুক বন্দী-বেটী বিস্তৰ দিলে, আৰু স্বুবৰ্ণ-ৰজত খোৱা-পিন্ধা অলঙ্কাৰ বিস্তৰ দিলে। আৰু সোণ-ৰূপ জাইগিৰি ধন অৰ্দ্ধখানা দিলে, অৰ্দ্ধখানা দিবলৈ থাকিল। ২৯১ ॥

মীৰজুমলাৰ অসম ত্যাগ।—পাচে বঙ্গালে বোলে,—"ধন আদ-খিনি, হাতীও ৯০ থাকিল। জাৰে অৰ্থে তিনিজনা ডাঙ্গৰীয়াৰ পুত্ৰ, ৰাজমন্ত্ৰীৰ পুত্ৰ দিয়োক অখন। ৰূপ হাতী দিব পাৰে মুৰমাৰি তথন, তিনিজনা ডাঙ্গৰীয়াৰ পুত্ৰ, ৰাজমন্ত্ৰীৰ পুত্ৰ এৰি দিম।" এই কথা মহাৰজা শুনি বাৰুকিয়াল লাঙ্গিচং বৰগোহাঁইৰ পুত্ৰ ধলা গোহাঁইক, কেন্দুগুৰীয়া বৰপাত্ৰ গোহাঁইৰ পুত্ৰ লাঙ্গি গোহাইক, বাঁহগড়ীয়া গোহাঁইৰ পুত্ৰ মৰিল বুলি এৰিলে, তেওঁৰে ককায়েকৰ পুত্ৰ ৰামৰাই গোহাঁই, এই তিনিক দিলে, ৰাজমন্ত্ৰীৰ পুত্ৰ মৌপিয়াক

দিলে। নামৰূপৰ পৰা মহাৰজা আহিল। নামচাঙ্গত থাকোতে দিছে ১৫৮৪ শকৰ মাঘত। বঙ্গালো তিপামৰ পৰা ভটিয়াই গৈ গুৱাহাটীত ৰহিল। গুৱাহাটীত ৰচিদখাঁক থলে, বোলে,—"ৰূপ-হাতী যি কিছু পাব লাগে তাক পালেহে ডাঙ্গৰীয়াসৱৰ বেটা এৰি দিবি।" এইবুলি খানখানা নবাব ভটিয়াই গল। পাচে মহাৰজা বাঁহবৰীয়া ভবানন্দ কটকীক গাভৰুৰ লগত পঠালে বোলে,—"মোৰ জীৱ লগত তইয়ে যা।" পাচে কটকীয়ো গাভৰুৰ লগত গল। খানখানা মৰিল। ২৯২॥

বণত হেলা কৰা বিষয়াৰ দণ্ড।—পাচে মহাৰজা তাংচানলৈ আহিল, তাৰপৰা মেকুৰীখোৱালৈ আহিল, তাৰেপৰা বকতাত ৰহিল। সেইবেলা মহাৰজাৰ লগত নাযাবৰ নিমিত্তে লাঙ্গি বৰগোহাঁইক ৰজাদেৱে আসনৰ পৰা উঠি খেদি গৈ নাকৈএৰে গদিয়ালে, খুন্দাও দুটা মাৰিলে। পাচে পহৰা দি মানুহ-দুনুহ গুচাই বুঢ়াগোহাঁইৰ লগত দিলে। আৰু গজপুৰীয়া হাতীবৰুৱাক সৌকাএৰে কোবালে। আৰু তামূলীদলৈৰ নাতিয়েকক ক্ষেমা দিলে, বোলে, "মোৰ পুথাও ৰাজা মাতি গৈছে। তোক এই নিমিত্তেহে ক্ষেমিলো।" কাথ নৰোত্তম মজুন্দাৰক ভাঙ্গিলে। সেই সময়তে দললখাঁৰ ঠাইলৈ লিখা-জোখা পঠালে, অভয়পুৰীয়া চতুৰ্ভুজ কাকতিৰ হাতে। পাচে মহাৰজায়ে নেওগৰ পুতেক ৰজাশহুৰ ববজনাৰ ডোমাই ডেকাক বৰফুকন পাতিলে, কলীয়াবৰলৈ পঠালে, তেওঁ ছমাহ থাকি কলীয়া-বৰত মৰিল। পাচে আওগোহাঁইৰ পুতেক লাঙ্গিক বৰফুকন পাতি পঠালে। ২৯৩॥

দেৱগাঁৱত মোগলৰ কটকী।—পাচে খানখানাএ স্বৰ্গমহাৰজাৰ ৰাজ্য মাৰিবৰ শুনি পাৎসাএ মহাৰজালৈ বটা দি দুৰ্ব্বেগ ৰস্তমবেগ এই দুই উকীলক পঠাই দিলে। পাচে দললখাঁয়ে পাৎসাৰ দুই উকীলক পাটনাওত লগ পাই দুই উকীলৰ লগত বাঁহবৰীয়া কটকীক উজাই পঠাই দিলে। আৰু দললখাঁৰ কটকী গদাইকো পঠাই দিলে।

পাচে পাৎসাৰ কটকীক গুৱাহাটীতে থৈ বাঁহবৰীয়াএ গদাএ আহি বকতাত মহাৰজাত জনালেহি, বোলে,—"পাৎসাএ চিৰপাৰ দি দুৰ্ব্বেগ ৰস্তমবেগ দুই উকীলক পঠাইছে।" এই কথা মহাৰজা শুনি বোলে,—"মোৰ পুথাও-পুলিনে পাৎসাৰ কাপোৰ পিন্ধা নাই। এতিয়া যে মঞি লব লাগিল আতপৰে মৰণেসে ভাল।" এইবুলি লাওডেকাক, লাখটকীয়াক, বাঁহবৰীয়া কটকীক, এই তিনিক পঠাই পাৎসাৰ দুই উকীলক গুৱাহাটিবপৰা আনিব দিলে। পাচে এই লগতে বচিদৰ্থাই তায়াদৰ্থা চেকমল এই তিনি কটকীক পঠাই দিলে। আহি দেৰগাওঁ পালেহি। ২৯৪ ॥

স্বৰ্গদেৱ জয়ধ্বজসিংহৰ মৃত্যু।—সেই সময়তে জয়ধ্বজ মহাৰজাএ গড়গাঁৱৰ গড় চৌমেৰে চায়গৈ। জলসাৰ ব্যাধি টান কৰি নদিন থাকি বকতা নগৰত স্বৰ্গী হল, ১৫৮৫ শকৰ কাতিৰ ২৩ দিন যাওঁতে বুধবাৰে। জয়ধ্বজ ৰজাৰ ৰাজ্য ভোগ ১৫ বৰ্ষ ১৯ দিন। ২৯৫ ॥

স্বৰ্গদেৱ চক্ৰধ্বজসিংহ।—জয়ধ্বজ মহাৰাজাৰ পুত্ৰ নাই। তিনিজনা ডাঙ্গৰীয়া প্ৰমুখ্যে সকলেও সমালোচনা হৈ ৰজা পাতিবলৈ চাৰিঙ্গৰজাক আনিবলৈ পাচিলে। পাচে তাৰেপৰা আনি আনদিনা বৃহস্পতিবাৰে স্বৰ্গৰজা পাতি সকলেও পাট-সেৱা কৰিলে। পাচে বকতাৰ চ'ৰাৰ কাখৰত ঘৰ সাজি ৰজাদেৱক থৈছিল। আঘোণৰ ৯ দিন যাওঁতে মঙ্গলবাৰে স্বৰ্গমহাৰজা লেচাঙ্গত পাট কৰিলে। ২৯৬ ॥

ৰজাশহুৰ ৰাজমন্ত্ৰী ফুকনৰ মৃত্যুদণ্ড।—ফাগুনৰ ১১দিন যাওঁতে সোমবাৰে ৰমা বামুণ, গণক ডেকা, সনাতন কটকী, এই তিনিও ৰজাশহুৰৰ গোচৰ দিলে, বোলে,—"নেওগৰ পুতেকে দ্ৰোহ আচৰিব খুজিলে।" এইকথা স্বৰ্গমহাৰজা শুনি দায় ধৰি ফুকনকো ভায়েক লেচাইকো বন্দী কৰি থলে পানীদুৱাৰত, আৰু ভতিজা পুতেক চিকণ ১, লাংচা ১, লোকচা ১, থামচাং ১, সৰিহ ১, ভাগিনীয়েক তোলন ১, এই ছয়ক মাৰিলে। পাচে স্বৰ্গৰজা লাঙ্গ হেংদানধৰাক পঠাই সুধিব দিলে, বোলে,—"মন্ত্ৰীয়ে অনেক মন্ত্ৰণা জানে, এতেকে নামাৰেঁ, কথা

কওক।” পাচে ৰাজমন্ত্ৰীয়ে বোলে—“ফুলে-পুষ্পে সমূলি বৃক্ষ ডাল ডলাদি সকলোকে ডলিলে, মোৰ তলশাৰী সি হুব পাৰে? সি যে মোক ৰজাত মাতি ৰাখে!” এইকথা মহাৰজাত জনালে বোলে,—“ভাল, ফুকনে যেন দুয়ো ভায়েকক মাৰকনি।” পাচে ফাগুনৰ ১৭ দিন যাওঁতে ৰাজমন্ত্ৰীৰ দুয়ো ভায়েকক লাচাঙ্গৰ হাকলুহাটত চেপি মাৰিলে। ২৯৭॥

কুসুমী আইকুঁৱৰীদেৱৰ মৃত্যুদণ্ড।—ৰবজনা আইকুঁৱৰীদেৱক আগে ৰাখিছিল ৰৰকুঁৱৰী বিষয়তে থম বুলি। ফুকনক গোচৰ দিলত আইকুঁৱৰীদেৱক চোলাধৰা ভাণ্ডাৰত বন্দীকৈ থৈছিল। গণক মজুম-দাৰক পঠাই আইকুঁৱৰীক সুধিব দিলে। ৰজাদেৱে বোলে,—“মই চাৰিঙ্গত আছিলো, মোক দদায়েকৰ হতুৱাই ৰজা পাতিলেনি, এতিয়া, ইহঁতে আকৌ দদায়েকৰ হতুৱাইএ কিয় এনে কৰায়?” এইৰূপে দেৱতাৰ আজ্ঞা মজিন্দাৰে কৈ দায় ধৰি সুধিলেহি। পাচে আইকুঁৱৰী দেৱে বোলে,—“দদায়েকহঁতে কি কৰে তাক মই কি জানো? এই কথা জানি মই আগতে স্বামীৰ লগত যাব খুজিলোঁ। মোৰ পতিব্ৰতা ধৰ্ম্মকো নষ্ট কৰিলে!” এইবুলি অনেকখন বুলিছিল। সকলোখিনি কথা মজিন্দাৰে স্বৰ্গমহাৰজাৰ চৰণত জনালেগৈ। জনালত ফাগুনৰ ১৩ দিন যাওঁতে বুধবাৰে আইকুঁৱৰীদেৱক পৰ্ব্বতত মাৰিব দিলেনি। চৈত্ৰৰ শেষ পক্ষত ৰবঢাক দুবাৰ বাজিলে। গৰুবিহুৰ দিনাও এবাৰ বাজিল। ২৯৮॥

পুনৰ অমঙ্গল উৎপাত।—১৫৮৫ শকৰ চ’তৰ ৩০ দিন যাওঁতে জয়ধ্বজ ৰজাৰ ৰবজী ৰবজনা ৰজাদেৱে চেংধৰা ৰৰবৰুৱাৰ পুতেকলৈ নমাই দিলে। ১৫৮৬ শকৰ বৈশাগৰ ২৪ দিন যাওঁতে বৃহস্পতি-ৰাৰে স্বৰ্গমহাৰজা শিঙ্গৰিঘৰ উঠিল। সেইদিনে ৰাতি যাওঁতে সিংহাসনতো বসিল। নাও ললে চক্ৰধ্বজসিংহ। বৈশাগৰ ২৬ দিন যাওঁতে শুক্ৰবাৰে উল্কাপাত হল। জেঠৰ ১৮ দিন যাওঁতে সোমবাৰে আয়ুৰৰ ৰুলে। সেইদিনে ৰৰবৰুৱা জী আইকুঁৱৰীদেৱক হাতীটাঙ্গিত

তুলিলে। সেই শকৰে আহাৰৰ ১৫ দিন যাওঁতে মঙ্গলবাৰে মোমাই-তামুলী বৰবৰুৱাৰ পুতেক বৰটোক নাওবৈচা ফুকন পাতিলে। আঘোণৰ ৪ দিন যাওঁতে শুক্রবাৰে ৪ দণ্ড বেলি থাকোতে দৈবজ্ঞ ব্ৰাহ্মণক ভোজন কৰালে। পৌষৰ ১৮ দিন যাওঁতে দেওবাৰে স্বৰ্গমহাৰজা তিঙ্গিৰাইত হাতী ধৰিলে। পৌষৰ ২০ দিন যাওঁতে মঙ্গলবাৰে লাচাঙ্গৰ বাঁহৰত শগুণ পৰিল। ৰজাদেৱ তিঙ্গিৰাইত আহোঁতে পাচে তাৰপৰা স্বৰ্গমহাৰজা বাঁহগড়ীয়া বুঢ়াগোহাঁইক পঠাই পত্নমপুখুৰীত ঘৰ সজালে। স্বৰ্গমহাৰজা হাতী ধৰি আহি পৌষৰ ২১ দিন যাওঁতে বুধবাৰে সেই ঘৰতে আছিলহি। ১৫৮৬ শকৰ চ'তৰ ৬ দিন যাওঁতে শনিবাৰে দেৱবায়ৰ দৌলত শগুণ পৰিল। ১৫৮৭ শকৰ শাওণৰ ২৭ দিন যাওঁতে দেওবাৰে মঙ্গল শুক্র দুই গ্ৰীৰ যুদ্ধ লাগিল, আৰু এইদিনে সূৰ্য্য উদয়লৈকে তাৰাসকল ওলাইছিল। ২৯৯ ॥

**লাচিত বৰফুকন** ।—বাহগড়ীয়া বুঢ়াগোহাঁই, বাৰচোৱাল বৰপাত্ৰগোহাঁই, বাৰুকিয়াল বৰগোহাঁই, এই তিনিওজনা ডাঙ্গৰীয়া প্ৰমুখ্যে বৰা বৰুৱা ফুকন ৰাজখোৱা হাজৰিকা সকলো বিদ্যমানে স্বৰ্গমহাৰজাদেৱে বৰচৰাত ওলাই বহি বোলে,—“মঞি বঙ্গালক ধৰিবলৈ মন কৰোঁ। তহঁতসৱে কি বোলে ?” পাচে বাহগড়ীয়া গোহাঁইয়ে মাতিলে, বোলে,—স্বৰ্গদেৱে যিখান বুলিছে উত্তমকেহে বুলিছে। কিন্তু ৰাজ্যৰ চাউল-কঠাও নাই। বহা-পবনাতো ভালৰূপে নাই। এতেকে বঙ্গালক কিৰূপে ধৰা যাব ? পাচে সেইকথাত সকলেও ভৰ দিলে। স্বৰ্গমহাৰজা খং কৰি কাৰো কথা নাৰাখি সকলকো কিছু নুবুলিলে, বোলে,—“মঞি স্বৰ্গৰজাৰ নাতি। বন্দী বঙ্গালক কেনেকৈ কৰ দিম ? বোলে মঞি ৰজা হৈ চাইদিন থাকিলোঁ। তেওঁ বঙ্গালৰ অধিনহৈ থাকিব নোৱাৰোঁ।” পাচে কাৰিকৰ আদিৰে বিলাতিৰো কুৰিত দহোটা আঠোটা ছটা এইৰূপে ভাল ভাল মানুহ বাচি লৈ স্বৰ্গৰাজা আপুনি ওলাই পঞ্জিজাৰ পিন্ধি হাতত লাখুটি লৈ

আগত থাকি খলাতে সেই মানুহক চাবিমাহ কাড়ধনু হিলৈ শিকালে। ববা শইকীয়াকো ভাল পাই কটকুকো কাড় যাঠি ধনুখান ভাল মাৰিব বুলি ৰূপ-কাপোৰ দি সকলোবে আসৈ-বুদ্ধি ৰঢ়াই বঙ্গালক ধৰিবলৈ মন কৰিলে। লাচিত ফুকন দুৱলীয়া ববৰুৱা আছিল। তেওঁৰ আসৈ-বুদ্ধি ভাল পাই বৰফুকন পাতিলে। গুড়িএমেলা বৰগোহাঁইৰ পুতেক হেংদানধৰা আছিল, তেওঁক বৰগোহাই-ফুকন পাতিলে। পেলন ফুকন চাবিঙ্গীয়া ফুকন আছিল, তেওঁকো ফুকন পাতিলে। মিৰি-সন্দিকৈ ফুকন হাজৰিকা আছিল, তেওঁকো ফুকন পাতিলে। ৩০০ ॥

**গুৱাহাটী মাৰিবলৈ যুদ্ধযাত্ৰা।**—আৰু সকলকো কেৰু, টাৰ, চেও, টেমি, কাপোৰ-কানি দি বঙ্গাল ধৰিবলৈ পাখিলে। আৰু ববৰুৱা ফুকন ৰাজখোৱা হাজৰিকা পৰ্য্যন্তে সকলকো বঁটা-প্ৰসাদ দি স্বৰ্গমহাৰজা বুলিলে,—"তইঁতৰো ভাৰ্য্যা-পুত্ৰ গো-ব্ৰাহ্মণ সকলকো ৰক্ষা পৰিব লাগে। বঙ্গালকে যুদ্ধে জিনিলেঁ, ইয়ো যশস্যা মঞি পাব লাগে। যদি ইটাখুলিত ভঙ্গাব নোৱাৰ তইঁতক খুদাই এৰা নেযাব, আৰু তইঁতৰ নিচিনা ফুকন ৰাজখোৱাহঁতো নুহুৱনেকি ?" এইৰূপে সকলকো শিকাই-বুজাই ১৫৮৯ শকৰ ভাদৰ ৩ দিন যাওঁতে বৃহস্পতিবাৰে গুৱাহাটী মাৰিবলৈ যুদ্ধযাত্ৰা কৰালে। ৩০১ ॥

**অসমৰ গুৱাহাটী উদ্ধাৰ।**—ভাদৰ ১৭ দিন যাওঁতে বৃহস্পতিবাৰে প্ৰথমে বাঁহবৰীয়া মাৰি লালবেগ বোচনবেগ এই দুইক ধৰি দি পঠালে। আহিনৰ ১৭ দিন যাওঁতে বৃহস্পতিবাৰে কাজলী মাৰিলে। তাৰপৰা গৈ ইটাখুলিত যুদ্ধ ধৰিলে।

একোৰূপে বঙ্গালক ভঙ্গাব নোৱাৰে। পাচে পেলন ফুকনে বোলে—"ইটাখুলিত যেয়ে ভঙ্গাব পাৰে, তাৰে মঞি বন্দী হম।" এইকথা স্বৰ্গমহাৰজা শুনি দায় ধৰি পাপং চাওদাঙৰ বৰুৱাকে কপাপাৰা হাতীৰ পুতেক হাতী হাজৰিকাক জোৰা, কুঠাৰ, মেখেলা ঋাট দি পঠালে, বোলে,—"পেলন ফুকনৰ আগমণ্ডহ কুঠাৰেৰে ছিৰি

দি পঠাবি, এনেকৈ বুলিব পাইনিকি, আৰু নোৱাৰে যে বোলে,—তাক মেখেলা পিন্ধাবি, ঝাটাৰে কোবাবি।" পাচে দুয়ো গৈ ফুকন বৰুৱা সকলকো একঠাই কৰি স্বৰ্গদেৱৰ আজ্ঞা শুনালে। পাচে সকলেও বোলে,—"পেলন ফুকনে এনেকৈ বুলিবৰ আমি কোনেও শুনা নাই। কিৰূপে স্বৰ্গদেৱে শুনিছে আমি বন্দীইঁতে তাক নাজানো।" পাচে দুই আহি স্বৰ্গদেৱৰ চৰণত এই বাৰ্ত্তা জনালেহি। দেৱতাএ শুনি কাকো কিছু নুবুলিলে।

মহাৰজাৰ কথা টান হেন জানি সকলেও টানমন কৰি যুদ্ধ ধৰিলে। তথাপি ইটাখুলিত ভঙ্গাব নোৱাৰে। পাচে সকলেও সমালোচন কৰি চোৰবচা লগাই বঙ্গালৰ হিলৈখানত পানী ভৰালে। এইকথা ফুকন ৰাজখোৱাত কলেহি। ১৫৮৯ শকৰ কাতিৰ ১৭ দিন যাওঁতে বৃহস্পতিবাৰে ৪ দণ্ড নিশা থাকোতে সকলেও গৈ ইটাখুলিত যুদ্ধ ধৰি বঙ্গালক ভঙ্গালে। ইটাখুলিত চৈতচানা, চৈতপিৰোজ, আদি কৰি অনেক লোকজনক ধৰি আনিলে। আৰু সেই সময়তে দুটা বঙ্গালে ঘোৰাত উঠি অশ্বক্ৰান্তৰ পোনে লোহিতৰ পাৰহৈ গল। আৰু আহিলা-পাতি, ৰূপ-কড়ি, কাপোৰ, উট, তাম-পিতল বিস্তৰ পালে। সেই সময়তে মৌপিয়া ফুকনকো পালে। পাচে সকলেও সমালোচন কৰি কৌপতীয়া কটকীক পঠালে এই কথা-বাৰ্ত্তা স্বৰ্গমহাৰজাৰ চৰণত জনাবলৈ। কটকীও আহি বৰুৱা ফুকন মেল ভাগি ঘৰাঘৰি গ'লত জনালেহি। পাচে স্বৰ্গমহাৰজা এই কথা শুনি বৰচ'ৰাত ওলাই বহি বৰঢাক আদি.........( ইয়াৰ পাচত আৰু কথা নাই )। ৩০২ ॥

---

নগাওঁ-ঘোৰহাটৰ শ্ৰীযুত উমানাথ গোহাঁইৰ পৰা পোৱা বুৰঞ্জী।

# ষষ্ঠখন বুৰঞ্জী

## স্বৰ্গদেৱ কমলেশ্বৰসিংহৰপৰা পুৰন্দৰসিংহলৈকে

স্বৰ্গদেৱ কমলেশ্বৰসিংহ। গৌৰীনাথসিংহ বা চাওফা চুহিৎপুংমুঙৰ মৃত্যু হোৱাত দীঘলা কোঁৱৰৰ পুতেকটি ৰজা হল। ৰজা হৈ আহোমমতে নাম ললে চুক্লিংফা, আৰু হিন্দুমতে কমলেশ্বৰসিংহ। স্বৰ্গী ৰজাৰ শৰটো মাছখোৱাহাটলৈ নি তাতে দাহ কৰিলে। ডাঙৰীয়াবোৰক গাখীৰ, দৈ-গুড়, কল-কুহিয়াৰেৰে জলপান খুৱালে, আৰু দহদিনৰ মূৰত দহা পাতিলে। মাহেকৰ মূৰত সকলো গোসাঁইকে মাতি আনি ৰৰসবাহ পাতি যোৰহাটত হিন্দুমতে কৰ্ম্ম কৰিলে। স্বৰ্গী ৰজাৰ অস্থি-ছাই চৰাইদেও পৰ্ব্বতলৈ নিলে। লগত ধনুধৰীয়া কোঁৱৰৰ কিছু মানুহ, আৰু পাতৰচেটিয়া আৰু ঘৰকলীয়াবো কিছু মানুহ গৈছিল। আৰু দিহিঙীয়া ফুকন, কোঁৱৰ হাজৰিকা, আৰু অনেক বৰুৱা ফুকন লগতে গৈছিল। পাচে নুনীহাট পালেগৈ। বুঢ়াগোহাঁই ডাঙৰীয়াই খেলুং, বানটুং আৰু তিংখাং এই তিনি গাৱঁৰ মানুহক মৈদাম এটা বান্ধিবলৈ কলে। সেইমতে এই তিনি গাৱঁৰ বাইজে মৈদাম বান্ধিলে। আতপাচে বুঢ়াগোহাঁই ডাঙৰীয়াৰ আজ্ঞাৰে ধনুধৰীয়া বৰাই মৈদামৰ ওপৰত ওখকৈ ভেটি এটা সাজিলে। ৩০৩॥

অসমীয়া সৈন্যৰ নতুন শিক্ষা।—লাক্নি লাতপ্লাও বা ১৭১৬ শকত, উত্তৰকোলে পুৰণিমটীয়া মটকে আমাৰ গাওঁ মাৰি বস্তু লুটি নিলে, আৰু ঘৰ-বাৰী ভঁৰাল জুই দি পুৰিলে। আতপাচে বুঢ়াগোহাঁই ডাঙৰীয়াই চুবাদাৰ এটা আৰু জমাদাৰ দুটা ৰাখি কিছুমান সৈন্যক চিপাহী ধৰণে শিকাই-বুজাই ললে। ভালেমান দিন ধৰি যুদ্ধৰ নিয়ম শিকাই ওঠৰ কোম্পানী চিপাহী তিয়াৰ কৰিলে।

আৰু ডাঙ্গৰীয়াই চিপাহীবোৰক পাথৰ-কলাই হিলৈ, কিৰিছ, খাৰমোনা, কূৰ্ত্তা, টুপী, কোমৰবন্ধা, দেওমনি, ডম্বৰু, ঢাল আৰু ঠেঙ্গা পিন্ধিবলৈ দিলে, আৰু যিবোৰে শিকালে সিবোৰক বঁটা-প্ৰসাদ দিয়ালে। চিপাহীবোৰে কুনুমিনু-কুনুখা পিন্ধি মিছা ৰণ উলিয়াই ভালমতে যুঁজ কৰিব পৰা হল। তাহাঁতৰ শিক্ষাও বৰ ভাল হৈছিল। আমাৰ সৈন্য ওঠৰ কোম্পানী চিপাহী হল। ইয়াকে দেখি বুঢ়া-গোহাঁই ডাঙ্গৰীয়াই ডাঙ্গৰৰূপে আনন্দ পালে। ৩০৪॥

কোঁঠ-বুৰুজ নিৰ্ম্মাণ।—স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁয়ে ৰাজ্যত কোঁঠ-চহৰ পাতিবলৈ কুঁৱৈগঞা ডেকাফুকনক কলে। ডেকাফুকন উজাই গৈ ভিতৰ-নামচাঙ্গত বহিলগৈ। তাতে ভাল কোঁঠ এটা সাজি গাওঁ এখন পাতিলে। তাৰপাচে জৰকালৈ গৈ তাৰ কোঁঠ-প্ৰাপ্তি অঁতোৱালে, আৰু তাতো এখন ডাঙ্গৰ গাওঁ পাতিলে। পাচে বৈচালৈ গৈ গাওঁ ৰাখিবৰ কাৰণে এটা কোঁঠ দিয়ালে। সেই-ৰূপে গাহৰিবাৰী আৰু বেঙ্গেনাবাৰীতো কোঁঠ দিয়ালে। এৱেঁ নগাহাটো পাতিলে। আতপাচে ৰৰহাট আওঁতাই কোঁঠৰ চাৰিওকালে আহতগছ এশাৰী বোৱালে। সেই ঠাই ৰাখিবৰ কাৰণে এক ফৌজ চিপাহী থলে। এই কাম বৰ ভাল হৈছিল। পাচে ডেকাফুকন ৰংপুৰলৈ উভতি আহিল, আৰু বুঢ়াগোহাঁইক কলে, বোলে,—"ৰংপুৰ চহৰখন ভাল কৰিব লাগে।" বুঢ়াগোহাঁয়ে "বাৰু" বুলি ৰংপুৰ চহৰ আৰু তাৰ ভণ্ডাৰ আওঁতাবলৈ আদেশ দিলে। ৩০৫॥

দাম পূজা।—আতপাচে বুঢ়াগোহাঁই ডাঙ্গৰীয়াই মছাই ফুকন, দেওধাই ফুকন, বাইলুং ফুকন, দেওধাই বৰুৱা, মিঠৈখোৱা বৰুৱা, আৰু অন্যান্য দেওধাই পণ্ডিতক কলে, বোলে,—"দাম পূজা পাতি সোণ-ৰূপ বিলাই দি চাওফা চুহিতপুংমুঙ্গ স্বৰ্গী ৰজাৰ প্ৰেতাত্মা পুথাওসকলৰ সঙ্গলৈ নিব লাগে।" ডেকাফুকন এই প্ৰস্তাৱত মান্তি হল, ৰংপুৰ চহৰ আৰু ঘৰবাৰী আওঁতোৱা সাং হল, আৰু দেৱতা-সকলক পূজা কৰিলে। ৩০৬॥

নতুন বিষয়া।—সন্দিকৈৰ ভোমোৰাকলীয়াক বৰফুকন পাতিলে। পৰ্ব্বতীয়া কুঁৱৰীৰ ভায়েক চতাইঅলীয়া গোহাঁই বৰগোহাঁই হল। কেন্দুগুৰীয়া পোৱালী গোহাঁইৰ পুতেক বৰপাত্ৰ-গোহাঁই হল। সন্দিকৈৰ ভদৰী বৰবৰুৱা হল। পূৰ্ব্বৰ নাওবৈচা ফুকনৰ নাতিয়েকক নাওবৈচা ফুকন পাতিলে। কুঁৱৈগঞা নাওবৈচা ফুকনৰ পুতেক ডেকাফুকন হল। মিৰিসন্দিকৈ ঘৰৰ এজন দিহিঙ্গীয়া ফুকন হল। দিহিঙ্গীয়া ফুকনৰ ঘৰৰ এজনা ন-ফুকন হল। বুঢ়াগোহাঁয়ে ককায়েকক নেওগ ফুকন পাতিলে। সকলো ফুকন, বৰুৱা, ৰাজখোৱা, হাজৰিকা, শইকীয়া, বৰা নকৈ পাতিলে। ৩০৭॥

বৰসেনাপতি বধ।—লাক্নি খুত্ঙি বা ১৭১৭-১৮ শকত, পাত্ৰ-মন্ত্ৰীসকলে সমালোচন হৈ শঙ্গণকণিপৰা বজাৰে সৈতে মিত্ৰভাৱ হৈ ৰণ কৰা বৰসেনাপতিক ধৰিবলৈ সৈন্য পঠিয়াবলৈ যুগুতি কৰিলে। কিছুদিনৰ পিচত বুঢ়াগোহাঁয়ে মথন আৰু কোদো এই দুইক কলে, বোলে,—"চিপাহী, চুবাদাৰ, ফুকন, বৰুৱা, হাজৰিকা, শইকীয়া, বৰা, ধনুধৰীয়া, কাঁড়ী, নকুৱা মছাই ফুকন, লেক্ষেৰা দেওধাই ফুকন, টেকা বৰবাইলুং, বামুণ বৰকটকী, বেজবৰুৱা, বামুণ, গণক আৰু দলৈ, এইবোৰক একেলগ কৰি গোটাব লাগে।" সেইদৰে সিবোৰক গোটালে। বুঢ়াগোহাঁই ডাঙ্গৰীয়াই বিক্‌খোৱান পূজা পাতি দেৱতা-সকলক তুষ্ট কৰিলে। আতপাচে বুঢ়াগোহাঁয়ে ভাল দিনবাৰ চাই উত্তৰে তিলাও বা লুহিত নৈৰ পাৰলৈ গল। আতপাচে ৰাচকটা পথাৰ পাই তাতে কোঁঠ দি ৰহিলগৈ। বৰসেনাপতিৰে সৈতে যুজ কৰিবলৈ আমাৰ এক ফৌজ সৈন্য পঠিয়ালে। বৰসেনাপতি ৰণত ঠাওৰিব নোৱাৰি পলাই ডাঠ হাবিত সোমাল। আমাৰ সৈন্যই তাক ধৰিবলৈ পাচে-পাচে খেদি গল। এটা চুবাদাৰে বৰসেনাপতিলৈ গুলি মাৰিলে, সেই গুলি সেনাপতিৰ গাত লাগিল, তাক টানি আনি বুঢ়াগোহাঁইৰ আগত থলেনি। বুঢ়াগোহাঁয়ে সেনাপতিক মৰালে। ৩০৮॥

শগুণকণিপৰা ৰজা।—শগুণকণিপৰা ৰজাৰ ধান আৰু আন বয়-বস্তু থোৱা ভৰালবোৰ আমাৰ সৈন্যই আগুৰি লৈ অধিকাৰ কৰিলে। শগুণকণিপৰা ৰজা পলাই সাৰিল। তাৰ সম্পত্তি আৰু ঘৰ-ঘৰোৱাহ মানুহ আমাৰ সৈন্যৰ হাতত পৰিল। ৰজাৰ চাৰিজনী জীয়েকো আমাৰ সেনাৰ হাতত পৰিল। বুঢ়াগোহাঁই ডাঙৰীয়াই তাৰে এজনীক দিলে মছাই ফুকনক, এজনী দেওধাই ফুকনক, এজনী বৰবাইলুঙক, আৰু এজনী চুবাদাৰক দিলে। তাতপাচে বুঢ়াগোহাঁই ডাঙৰীয়া যোৰহাটলৈ উভতি আহি স্বৰ্গদেৱ আৰু চাৰিংৰজাৰে দেখা সম্ভাষা হল। তাৰপাচত ডাঙৰীয়া যোৰহাটতে থাকিল। ৩০৯॥

খেৰকটামুখত কোঁঠ।—আতপাচে লাক্নি কংমাও বা ১৭১৮-১৯ শকত, স্বৰ্গদেৱ, চাৰিংৰজা, বুঢ়াগোহাঁই, বৰুৱা, ফুকন, ৰাজখোৱা, হাজৰিকা, শইকীয়া, বৰা, এই সকলোৱে সমালোচন হৈ হেঙ্গালুগুৰিত থকা পুৰণিমটীয়া মটকক ধৰিবলৈ যুকুতি কৰিলে। খেৰকটামুখত কোঁঠ দিবলৈ বুঢ়াগোহাঁয়ে আজ্ঞা কৰিলে। বৰা ১, মথন ১, এই দুয়ে গৈ খেৰকটামুখত কোঁঠ দিলেগৈ। ৩১০॥

পীতাম্বৰ মহন্ত।—অতপাচে ভাল দিনবাৰ চাই বুঢ়াগোহাঁই ডাঙৰীয়াই ফুকন, ৰাজখোৱা, হাজৰিকা, শইকীয়া, বৰা, ধনুধৰীয়া কাঁড়ী আৰু বৰুৱা এইসকলক একেলগ কৰি গোটালে। এইসকলৰ সৈতে আৰু লগত ভমৰাচিং ১, ৰাজুপুৰীয়া ১, ৰূপসিং ১, বীণাসিং ১, হাতীমুৰীয়া পাঁচ খেল, নকুৰা মছাই ফুকন ১, লেবেলা দেওধাই ফুকন ১, শিমলুগুৰীয়া বৰবাইলুং ১, আৰু কেচাবাইলুং ১, এইবোৰক লৈ যাত্ৰা কৰি উজাই খেৰকটামুখ পাই তাতে ৰহিলগৈ। তাতে থাকি বুঢ়াগোহাঁয়ে পুৰণিমটীয়া মটকৰ গাওঁ মাৰি নষ্ট কৰিলে। মটকক জীয়াই জীয়াই ধৰি সিঁহতৰ ধন, সোণ, ৰূপ আৰু অন্য বস্তু পাই লুটি আনিলে। বুঢ়াগোহাঁয়ে মটকক লুটি অনা বস্তুমানে নাৱত ভৰাই সসৈন্যে সহিতে খুটিয়াপোতালৈ আহিল। তাতে পীতাম্বৰ মহন্তক পাই

পুত্ৰ-কন্যা সহিতে ধৰি আনিলে। আতপাচে নাৱেৰে ভটীয়াই যোৰ-হাটলৈ উভতি আহিল। সেই ৰণত বুঢ়াগোহাঁয়ে বিস্তৰ দ্ৰব্য-আহিলা পালে, আৰু ফুকন, বৰুৱা, ৰাজখোৱা, হাজৰিকা, শইকীয়া, বৰা, ধনুধৰীয়া কাঁড়ী, আৰু অন্যবোৰে সৈতে যোৰহাটলৈ আহি তাতে থাকিল। আতপাচে স্বৰ্গদেৱ আৰু চাৰিংৰজাই ৰাজ্যৰ মানুহক টাঙোন যাঠি দি ৰণলৈ বুলি তিয়াৰ কৰিলে। কিছুদিনৰ পাচত বুঢ়াগোহাঁই ডাঙৰীয়াই পুৰণিগুটীয়া মটকক ধৰিবলৈ খুটিয়াপোতা আৰু জ্ঞানখনা-মুখলৈ এফৌজ আৰু মহগড়লৈ এফৌজ সেনা পঠিয়ালে। ৩১১॥

চিংফৌ ৰণ। লাক্ৰি তাওচি বা ১৭১৯-২০ শকত, উজনীকালে চেংকালবিংগাম বা চিংফৌবোৰে আমাৰ ৰাজ্য মাৰিবলৈ আহিল। সিহঁতে আমাৰ কোঁঠ এটাত সোমাই তাতে বলহি। চিংফৌৰে ৰাজ্য ভঙা কথা স্বৰ্গদেৱে আৰু বুঢ়াগোহাঁয়ে শুনি পাত্ৰ-মন্ত্ৰী, ফুকন, ৰাজ-খোৱা, শইকীয়া, বৰা, এইসকলে মেলত বহি ভালেখিনিপৰ সমা-লোচন হৈ চিংফৌ মাৰিবলৈ ঠাৱৰ কৰিলে। বুঢ়াগোহাঁই ডাঙৰীয়াই ডেকাফুকন ১, কাপ্তান গোহাঁই ১, সৰু-অভয়পুৰীয়া ৰাজখোৱা ১, ভমৰাচিং চুবাদাৰ ১, অভয়পুৰীয়া ৰাজখোৱা ১, পানী-অভয়পুৰীয়া ৰাজখোৱা, ৰূপচিং ১, বীণাচিং ১, এইবোৰক চিংফৌ ৰণলৈ যাবলৈ কলে। খেলুং, বানটুং, ভিংখাং এইকেইগাৰঁৰ ৰাজখোৱা, হাজৰিকা, শইকীয়া আৰু ধনুধৰীয়া কাঁড়ী আমাৰ সেনাৰ লগ লাগিল। মোহন ফুকন, দেওধাই চেংধোৱা ফুকন, বাইলুং, বামুণ, গণক আৰু বেজমানুহ সৈন্যৰ লগত গল। আমাৰ সেনা উজাই গৈ চিংফৌৰ কোঁঠ ভেটি ধৰিলে। চিংফৌৰে খাৱৈৰ দাঁতিত হিলৈ পাতি কোঁঠৰ ভিতৰতে বল। গোনতে আমাৰ সৈন্যাই ৰণ জিনিব নোৱাৰিছিল। পাচে ভমৰাচিং চুবাদাৰে ৰবহিলৈ এটাৰ বিদ্ধাত জুই লগাই হিলৈ জাই কৰি চিংফৌৰ কোঠ ভাঙিলে। কোঁঠৰ পৰা ওলাবলৈ চিংফৌহঁতৰ বাট-পথ নাইকিয়া হল। সিহঁতে কোনোমতে পলাই পাৰিল। আমাৰ মানুহে কোঁঠ সোমই চিংফৌৰ বয়বস্তু দ্ৰব্য-আহিলা লুটি আনিলে।